জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৯/২০২০

## দিল্লীৰ মণ্ডোলি কুৱাৰেন্টাইন শিবিৰত থকা চি আৰ পি এফ জোৱানৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰি স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## কৰ'ণাত আক্ৰান্ত উপ-পৰিদৰ্শক ইক্ৰাম হুছেইনৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৯ এপ্ৰিল ঃ** কৰ'ণা ভাইৰাছত আক্ৰান্ত হৈ দিল্লীৰ মণ্ডোলি কুৱাৰেন্টাইন শিবিৰত থকা অসমৰ ৫ গৰাকী কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ জোৱানৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টেলিফোনযোগে বাৰ্তালাপ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। আজি বাৰ্তালাপ কৰা এই জোৱান কেইজন হৈছে অংকুৰ নাথ, দেৱজিৎ বৰুৱা, টংকেশ্বৰ বৰা, প্ৰফুল্ল চন্দ্ৰ দাস আৰু মুকুট কলিতা।

আনহাতে আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰ'ণাত আক্ৰান্ত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপ-পৰিদৰ্শক অসমৰ ইক্ৰাম হুছেইনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বৰপেটা জিলাৰ সন্তান প্ৰয়াত ইক্ৰাম হুছেইনে ক'ভিড-১৯ ৰ বিৰুদ্ধে জীৱনৰ অন্তিম মুহূৰ্তলৈ সাহসেৰে যুঁজ দি গ'ল। বীৰ সন্তান গৰাকীৰ অদম্য মনোবল আৰু সাহসে দেশৰ প্ৰতি সমৰ্পিতভাৱে কাম কৰি যাবলৈ আমাক সদায়ে অনুপ্ৰাণিত কৰিব। মুখ্যমন্ত্ৰীয়ে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ উপৰি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।

**পুঃডেঃ / বীঃগঃ**
**২৯/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in